REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 04-11-2026 **Time :** 1205 Hrs.
ASSAMESE 12.05 PM BULLETIN

HEADLINES

১। ২৯ নৱেম্বৰত নতুন দিল্লীত হ'বলগীয়া সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠানৰ প্ৰস্তুতি অব্যাহত

২। গুৱাহাটীৰ এখন হোটেলত ৫ জন লোকক গুলীয়াই হত্যা কৰা গোচৰত অভিযুক্ত ঘনকান্ত গগৈ আৰক্ষীৰ এনকাউণ্টাৰত নিহত।

৩। ৰাজেশ কুমাৰক অৰুণাচল প্ৰদেশৰ নতুন আৰক্ষী সঞ্চালক প্ৰধান হিচাপে নিযুক্তি।

আৰু

৪। অকলেণ্ডত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতক জয়ৰ বাবে ১৮৬ ৰানৰ লক্ষ্য।

oooooooo

বিশ্ববন্দিত শিল্পী ডঁ ভূপেন হাজৰিকাৰ পঞ্চদশ প্ৰয়াণ দিৱস উপলক্ষে কাইলৈ শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা জনাই বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ যৌথ উদ্যোগত তথা ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৃষ্ঠপোষকতাত মহা মিলনৰ তীৰ্থ শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী দামোদৰ দেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এই অনুষ্ঠানত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চৌনা মেইনক ভূপেন হাজৰিকা সমন্বয় বঁটা আগবঢ়াব। অসম আৰু অৰুণাচল প্ৰদেশৰ সমন্বয়ৰ বাৰ্তাবাহক হিচাপে এই বঁটা প্ৰদান কৰা হ'ব। একেদৰে সমাজ সেৱাৰ ক্ষেত্ৰত উদ্দীপনাৰ সৃষ্টি কৰা সময় গগৈক ভূপেন হাজৰিকা হিতৈষী বঁটা আগবঢ়োৱা হ'ব। এই অনুষ্ঠানতে 'মানুষ মানুষেৰ জন্যে' শীৰ্ষক ভূপেন হাজৰিকাৰ বাংলা গীতৰ এটা সংকলনো উন্মোচন কৰা হ'ব।

অহা ২৯ নৱেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত হ'বলগীয়া সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠানৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তুতি অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এই প্ৰস্তুতিৰ বুজ লব'লৈ ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে সৰ্তীথ মন্ত্ৰীসকলক এই অনুষ্ঠান সুকলমে সম্পন্ন কৰাৰ বাবে সকলো ব্যৱস্থা আগতীয়াকৈ গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়ে।

oooooooo

গুৱাহাটীৰ এখন হোটেলত ৫ জন লোকক গুলীয়াই হত্যা কৰা গোচৰত অভিযুক্ত ঘনকান্ত গগৈ পুৱতি নিশা আৰক্ষীৰ এনকাউণ্টাৰত নিহত হয়। গুৱাহাটীৰ পৰা শিৱসাগৰলৈ নি থকা অৱস্থাত পুৱতি নিশা শিৱসাগৰৰ ফুলপানী ছিগাৰ এখন ধাবাৰ সমীপত ঘনকান্তই আৰক্ষীক আক্ৰমণ কৰি পলায়নৰ চেষ্টা কৰে। প্ৰত্যুত্তৰত আৰক্ষীয়ে গুলী চলাবলৈ বাধ্য হয় আৰু আৰক্ষীৰ গুলীত অভিযুক্তজন নিহত হয়। ঘটনাত শিৱসাগৰ নগৰ আৰক্ষী উপ-পৰিদৰ্শক দেৱাশীষ শৰ্মা আহত হয়। উল্লেখযোগ্য যে ২০২৪ চনৰ এটা গোচৰ সংক্ৰান্তত আৰক্ষীয়ে ঘনকান্তক গুৱাহাটীৰ পৰা শিৱসাগৰলৈ নিছিল। এই সন্দৰ্ভত আৰক্ষী বিষয়াই এইদৰে কয়-

(বাইট)

০০০০০০০

কেন্দ্রীয় গৃহ মন্ত্রালয়ে ভাৰতীয় আৰক্ষী সেৱাৰ ১৯৯৫ বেটছৰ বিষয়া ৰাজেশ কুমাৰক অৰুণাচল প্ৰদেশৰ নতুন আৰক্ষী সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিছে। গৃহ মন্ত্রালয়ে প্ৰকাশ কৰা মতে শ্ৰীকুমাৰ দিল্লীলৈ বদলি কৰা শিৰ দৰ্শন সিং জামৱালৰ স্থলাভিষিক্ত হ'ব। চিয়াং নৈৰ ওপৰৰ ১২ হাজাৰ ২০০ মেগাৱাট শক্তিসম্পন্ন বহুমুখী জলবিদ্যুৎ প্ৰকল্পক লৈ চলি থকা প্ৰতিবাদৰ মাজতে ৰাজেশ কুমাৰক ৰাজ্যখনৰ নতুন আৰক্ষী সঞ্চালক প্ৰধান হিচাপে নিয়োগ কৰা হৈছে।

০০০০০০০০

প্ৰতিবাদৰ নামত কোনো এটা সংগঠন বা ৰাজনৈতিক গোটে প্ৰতিবাদস্থলী অনিৰ্দিষ্ট কাললৈ নিজৰ দখলত ৰাখিব নোৱাৰিব বুলি উচ্চতম ন্যায়ালয়ে ৰায় দিছে। ন্যায়ালয়ে প্ৰকাশ কৰা মতে প্ৰতিবাদৰ বাবে নিৰ্ধাৰিত স্থানত প্ৰতিটো সংগঠনকে নিৰ্দিষ্ট সময়ৰ বাবে প্ৰতিবাদৰ সুযোগ দিব লাগিব। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগ্‌চি আৰু ভি মোহনাক লৈ গঠিত বিচাৰপীঠে দিল্লীত অক্টোবৰত হোৱা প্ৰতিবাদক লৈ দাখিল হোৱা কেইবাখনো আবেদনৰ শুনানি গ্ৰহণ কৰি কালি এই নিৰ্দেশ জাৰি কৰে।

০০০০০০০০

মিছিং স্বায়ত্তশাসিত পৰিষদৰ ৪০ টা সমষ্টিত আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ ৩২ টা সমষ্টিত নিৰ্বাচন অহা ৩০ নৱেম্বৰত অনুষ্ঠিত হ'ব। ৰাজ্যিক নিৰ্বাচন আয়োগে কালি এই নিৰ্বাচনৰ দিন ঘোষণা কৰে। ১০ নৱেম্বৰ মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ১২ নৱেম্বৰত মনোনয়ন পত্ৰ সমূহ পৰীক্ষা কৰাৰ লগতে বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ১৬ নৱেম্বৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন আৰু সেইদিনাই প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ৩০ নৱেম্বৰৰ পুৱা চাৰে ৭ বজাৰ পৰা বিয়লি চাৰি বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। প্ৰয়োজন সাপেক্ষে ১ ডিচেম্বৰত পুনৰ ভোট গ্ৰহণ কৰা হ'ব। ৩ ডিচেম্বৰৰ পুৱা ৮ বজাৰ পৰা ভোটগণনা অনুষ্ঠিত হ'ব। নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ অন্তিম দিন ৫ ডিচেম্বৰ ধাৰ্য্য কৰা হৈছে।

মিছিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত ৬ লাখ ৩৫ হাজাৰ ৪৯৩ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ৩ লাখ ১৭ হাজাৰ ২৯৭ গৰাকী পুৰুষ আৰু ৩ লাখ ১৮ হাজাৰ ১৯৪ গৰাকী মহিলা ভোটদাতা। নিৰ্বাচনৰ বাবে এহেজাৰ ৩২ টা ভোট গ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। আয়োগে প্ৰতিগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ সৰ্বোচ্চ সীমা ২ লাখ টকালৈকে ধাৰ্য্য কৰিছে। ইপিনে সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ বাবে এক লাখ ৬৩ হাজাৰ ৯৬৬ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ৭৯ হাজাৰ ২৯৫ জন পুৰুষ আৰু ৮৪ হাজাৰ ৬৬৭ গৰাকী মহিলা ভোটাদাতা। এই নিৰ্বাচন সন্দৰ্ভত পৰিষদৰ এগৰাকী সদস্যই এইদৰে কয় -

(বাইট)

০০০০০০০

খাদ্য সুৰক্ষা বিভাগে বিগত ১০ মাহত ৬০টা পনীৰৰ নমুনা সংগ্ৰহ কৰি বিশ্লেষণ কৰিছে আৰু ইয়াৰে ৭০ শতাংশ অৰ্থাৎ ৪১টা নমুনা খাদ্যৰ বাবে অনুপযোগী বুলি চিনাক্ত হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী অশোক সিংহালে খাদ্যৰ মান বৰ্তাই ৰখাৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰি কালি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। অনুপযোগী বুলি বিবেচিত পাঁচটা নমুনা স্বাস্থ্যৰ বাবে অত্যন্ত ক্ষতিকাৰক বুলি মন্ত্রীগৰাকীয়ে প্ৰকাশ কৰে। বিভাগে খাদ্য সুৰক্ষা আইন ২০০৬ৰ ৩২ নম্বৰ (ক) দফাৰ অধীনত এখন জাননী জাৰি কৰিছে বুলি উল্লেখ কৰি মন্ত্রীগৰাকীয়ে কয়, যে এই জাননীত পনীৰৰ নামত পনীৰৰ দৰে অন্য সামগ্ৰী বিক্ৰী কৰিব নোৱাৰিব বুলি স্পষ্টভাৱে উল্লেখ কৰা হৈছে। তেওঁ কয়, যে এনে সামগ্ৰী বিক্ৰী কৰাসকলক জৰিমনা বিহা হ'ব।

০০০০০

লোককলাৰ গৱেষক, সংগীত শিল্পী, শিক্ষাবিদ লেখক বীৰেন্দ্রনাথ দত্তৰ আজি ওপজা দিন। লোককলা আৰু সংস্কৃতিৰ গৱেষণাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰা শিল্পীগৰাকীয়ে ২০০৩ চনত অসম সাহিত্য সভাৰ উত্তৰ লখিমপুৰ আৰু ২০০৪ চনত হোজাই অধিৱেশনত সভাপতিত্ব কৰিছিল। ২০০৯ চনত তেওঁক পদ্মশ্রী সন্মানেৰে সন্মানিত কৰা হৈছিল। তেওঁৰ কণ্ঠৰ কেইবাটাও গীতে অসমৰ শ্রোতাক মুগ্ধ কৰি ৰাখিছে। তেওঁৰ জনপ্রিয় গীতসমূহৰ ভিতৰত – বহুদিন বকুলৰ গোন্ধ পোৱা নাই, অ' ধুন ধুনীয়া, সাতোখন সুৰীয়া নৈ, অ' ৰহিমলা আদি অন্যতম।

কল্পলোকৰ উদ্যোগত বীৰেন্দ্র নাথ দত্ত স্মাৰক বক্তৃতামালাৰ দ্বিতীয় বক্তৃতানুষ্ঠান আজি আয়োজন কৰা হৈছে। এই অনুষ্ঠানত Future of Folk Art Forms in North-East India, Contributions and concerns বিষয়ত আলিপুৰদুৱাৰ বিশ্ববিদ্যালয়ৰ উপাচার্য অধ্যাপক, বিশিষ্ট শিক্ষাবিদ, ভূপালৰ মানৱ সংগ্রহালয়ৰ প্রাক্তন সঞ্চালক সৰিৎ কুমাৰ চৌধুৰীয়ে বক্তৃতা আগবঢ়াব। অনুষ্ঠানটি সঞ্চালনা কৰিব অধ্যাপক প্রদীপজ্যোতি মহন্তই এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি উত্তৰ-পূর্বাঞ্চলৰ লোককৃষ্টিৰ কেইবাটাও নিদর্শনমূলক পৰিৱেশন কৰা হ'ব। আজি বিয়লি ৪ বজাত গুৱাহাটীৰ উজান বজাৰৰ বিবেকানন্দ কেন্দ্র প্রেক্ষাগৃহত অনুষ্ঠানটিৰ আয়োজন কৰা হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্রই অনাতাঁৰ ধাৰাবাহিক, নাটক, ধাৰাবাহিক আলেখ্য, প্রামাণ্য আলেখ্য, কাহিনী কথন, ধাৰাবাহিক সৃজনিশীল শ্রব্য অনুষ্ঠান, পডকাষ্ট শৃংখলা, ধাৰাবাহিক কুইজ প্রতিযোগিতা, শাস্ত্রীয়, অর্ধশাস্ত্রীয়, লঘু আৰু লোকসংগীত আধাৰিত সংগীতৰ অনুষ্ঠানৰ প্রযোজনাৰ বাবে প্রযোজনা সংস্থা, প্রযোজক, কপিৰাইট অধিকাৰী আৰু কনটেণ্ট ক্রিয়েটৰৰ পৰা প্রস্তাৱৰ আহ্বান জনাইছে। এই অনুষ্ঠানসমূহ হিন্দী, ইংৰাজী আৰু অসমীয়া ভাষাত আকাশবাণীৰ প্রচাৰবিধি আৰু বাণিজ্যিক বিজ্ঞাপনবিধি মানি প্রস্তুত কৰা হ'ব লাগিব। একেদৰে ধাৰাবাহিক নাট, আলেখ্য, সৃজনিশীল শ্রব্য অনুষ্ঠান আৰু পডকাষ্ট শৃংখলাৰ প্রতিটো খণ্ড ১৪ মিনিট অথবা ২৮ মিনিটৰ ভিতৰত হ'ব লাগিব। আগ্রহী প্রার্থীয়ে অহা ৩০ নৱেম্বৰৰ ভিতৰত প্রস্তাৱসমূহ জমা দিব লাগিব। আবেদনকাৰীসকলে প্রস্তাৱ জমা দিয়াৰ পূর্বে প্রচাৰ ভাৰতী অথবা আকাশবাণীৰ ৱেবছাইটত থকা কনটেণ্ট চোর্চিং পলিচি-২০২৪ৰ বিষয়ে বিতংকৈ জানিব পাৰিব।

০০০০০০০

অকলেণ্ডৰ ইডেন পার্কত অনুষ্ঠিত পাঁচখনীয়া এদিনীয়া ক্রিকেট শৃংখলাৰ প্রথমখন খেলত নিউজিলেণ্ড ভাৰতক জয়ৰ বাবে ১৮৬ ৰানৰ লক্ষ্য নির্ধাৰণ কৰি দিছে। প্রত্যুত্তৰত ভাৰতে বাতৰি যুগুতোৱাৰ পৰলৈকে ৮ অভাৰত ১ উইকেট হেৰুৱাই ৪১ ৰান সংগ্রহ কৰিছে।

ইয়াৰ পূর্বে ঘৰুৱা দল নিউজিলেণ্ডে প্রথমে বেট ধৰাৰ আমন্ত্রণ লাভ কৰি ৪০ অভাৰ আৰু দুটা বলত আটাইকেইটা হেৰুৱাই ১৮৫ ৰান সংগ্রহ কৰে। নিউজিলেণ্ডৰ হৈ টিম ছেইফর্টে সর্বাধিক ৩৮ ৰান কৰে। ভাৰতৰ হৈ অশ্বদীপ সিঙে ৪টা আৰু গুৰনুৰ ব্রাৰে তিনিটা উইকেট লাভ কৰে।

০০০০০০০০০

সমাপ্ত